# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-02-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

00000

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে জি-২০য়ে ইয়াৰ নেতৃত্বৰ ধাৰা অব্যাহত ৰাখিবলৈ গোলকীয় প্ৰত্যাহ্বান প্ৰতিফলিত কৰিব লাগিব বুলি প্ৰকাশ কৰে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰে যে ভাৰতৰ আভ্যন্তৰীণ বিষয়ত বিদেশী হস্তক্ষেপৰ বিষয়টো উদ্বেগজনক।

৩। কংগ্ৰেছে দেশৰ নিৰ্বাচনী প্ৰক্ৰিয়াত হস্তক্ষেপৰ বাবে বিদেশী শক্তিৰ সমৰ্থন গ্ৰহণ কৰিছে বুলি বিজেপিয়ে অভিযোগ কৰে।

৪। জম্মু-কাশ্মীৰৰ পুঞ্চ জিলাত আজি ভাৰত আৰু পাকিস্তানী সেনাৰ কমাণ্ডাৰ পৰ্যায়ৰ পতাকা বৈঠক অনুষ্ঠিত হয়।

*আৰু*

৫। আই চি চি চেম্পিয়নছ্ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত দক্ষিণ আফ্ৰিকাই, আফগানিস্তানক জয়ৰ বাবে ৩১৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

00000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি জি-২০য়ে ইয়াৰ নেতৃত্বৰ ধাৰা অব্যাহত ৰাখিবলৈ গোলকীয় প্ৰত্যাহ্বান প্ৰতিফলিত কৰিব লাগিব বুলি প্ৰকাশ কৰে। দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত চলি থকা জি-২০ বিদেশ মন্ত্ৰীৰ বৈঠকত ড০ জয়শংকৰে এই মন্তব্য প্ৰকাশ কৰে। তেওঁ কয় যে এই প্ৰত্যাহ্বানসমূহৰ ভিতৰত খাদ্য, শক্তি, স্বাস্থ্য নিৰাপত্তা, ডিজিটেল ৰাজহুৱা আন্তঃগাথনি প্ৰতিষ্ঠা আৰু মহিলাৰ উন্নয়নৰ দিশসমূহ সামৰি লোৱা হৈছে। তেওঁ লগতে কয় যে জি-২০য়ে সদায় প্ৰতিযোগিতাতকৈ সহযোগিতাৰ মনোভাৱক অগ্ৰাধিকাৰ দি আহিছে। আন্তঃৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি সন্দৰ্ভত ভাৰতে জৰুৰীকালীন সঁহাৰি, পুনৰনিৰ্মাণ আদিৰ ক্ষেত্ৰত শক্তিশালী পৰিকাঠামোক সমৰ্থন কৰি আহিছে। ভাৰতে সন্মিলিত দুৰ্যোগ স্থিতিস্থাপকতা আন্তঃগাঁথনি অৰ্থাৎ চি ডি আৰ আইৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমান ৪২খন দেশ আৰু সাতটা সংস্থা এই চি ডি আৰ আইৰ সদস্য।

00000

দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত অনুষ্ঠিত জি-২০ বিদেশ মন্ত্ৰীৰ বৈঠকৰ আপাহতে আজি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে চীনৰ প্ৰতিপক্ষ ৱাং য়ীৰ সৈতে বৈঠকত মিলিত হয়।

নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কয়, যে বৈঠকত তেওঁলোকে সীমান্ত অঞ্চলত শান্তিৰ বাবে দ্বিপাক্ষিক সম্পৰ্ক উন্নীতকৰণ সন্দৰ্ভত পৰ্যালোচনা কৰে। বৈঠকত কৈলাশ মানসৰোৱৰৰ যাত্ৰা, পোনপটীয়া বিমান সংযোগ পুনৰ আৰম্ভ কৰা, ভ্ৰমণৰ সুবিধা আদিৰ বিষয়ে আলোচনা কৰা হয় বুলিও মুখপাত্ৰগৰাকীয়ে মন্তব্য কৰে।

বৈঠকৰ মুকলি ভাষণত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ জয়শংকৰে কয়, যে ভাৰত আৰু চীনে জি-২০ক এটা প্ৰতিষ্ঠান হিচাপে সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে কঠোৰ পৰিশ্ৰম কৰিছে। ভাৰত আৰু চীন জি-২০, এছচিঅ' আৰু ব্ৰিকছৰ সদস্য বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰে যে ভাৰতৰ আভ্যন্তৰীণ বিষয়ত বিদেশী হস্তক্ষেপৰ বিষয়টো উদ্বেগজনক। আজি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছৱালে কয় যে ভাৰতত আমেৰিকাৰ পুঁজি সন্দৰ্ভত প্ৰকাশ পোৱা শেহতীয়া বাতৰি সন্দৰ্ভত সংশ্লিষ্ট বিভাগ আৰু সংস্থাই অনুসন্ধান চলাই আছে।

সূত্ৰটোৰে জনোৱা মতে আমেৰিকাৰ পৰা বিমানত পানামা আৰু কষ্টাৰিকালৈ পঠিওৱা নাগৰিকসকলৰ সন্দৰ্ভত পানামাস্থিত ভাৰতীয় মিছনে স্থানীয় কৰ্তৃপক্ষৰ সৈতে যোগাযোগ চলাই আছে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত শ্ৰীজয়ছৱালে কয় যে সেই নাগৰিকসকল ভাৰতীয় হয় নে নহয় সেই বিষয়েও সবিশেষ তথ্য পৰীক্ষা কৰি থকা হৈছে। এই পৰীক্ষা-নিৰীক্ষাৰ অন্তত ভাৰতীয়সকলক দেশলৈ ঘূৰাই অনা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীজয়ছৱালে কয় যে পানামালৈ পঠিওৱা লোকসকল আমেৰিকাত অবৈধভাৱে বসবাস কৰি আছিল। আমেৰিকাই বিমানযোগে অমৃতসৰলৈ পঠিওৱা ভাৰতীয়সকলৰ সন্দৰ্ভতো আমেৰিকা চৰকাৰক ভাৰতৰ উদ্বেগৰ বিষয়ে জনোৱা হৈছে। ভাৰত চৰকাৰে আমেৰিকাৰ পৰা বিতাড়িত ভাৰতীয়সকলক মানৱীয় ব্যৱহাৰ কৰাৰ লগতে ধৰ্মীয় সহিষ্ণুতা প্ৰদৰ্শন কৰিবলৈও আমেৰিকান চৰকাৰক আহ্বান জনাইছে। শ্ৰীজয়ছৱালে জনায় যে যোৱা ১৫ আৰু ১৬ ফেব্ৰুৱাৰীত আমেৰিকাৰ পৰা অমৃতসৰলৈ বিতাড়িত কৰা ভাৰতীয়সকলৰ বিমান যাত্ৰাৰ সময়ত মহিলা আৰু শিশুসকলক কোনো ধৰণে অপমান কৰা হোৱা নাছিল।

০০০০০

কংগ্ৰেছে দেশৰ নিৰ্বাচনী প্ৰক্ৰিয়াত হস্তক্ষেপৰ বাবে বিদেশী শক্তিৰ সমৰ্থন গ্ৰহণ কৰিছে বুলি বিজেপিয়ে অভিযোগ কৰে। দলৰ মুখ্য কাৰ্যালয়ত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিজেপি নেতা গৌৰৱ ভাটিয়াই কয় যে নিৰ্বাচনী প্ৰক্ৰিয়াত হস্তক্ষেপ কৰাৰ বাবে আমেৰিকাৰ সাহায্য গ্ৰহণ কৰা হৈছে। বিদেশী শক্তিৰ সমৰ্থন পালেও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কংগ্ৰেছে কেতিয়াও পৰাভুত কৰিব নোৱাৰিব বুলি শ্ৰীভাটিয়াই মত প্ৰকাশ কৰে।

ইপিনে, কংগ্ৰেছ নেতা পৱন খেৰাই আমেৰিকাৰ পৰা কংগ্ৰেছে ২১ মিলিয়ন ডলাৰ আৰ্থিক সাহায্য গ্ৰহণ কৰা বুলি বিজেপিয়ে অপপ্ৰচাৰ চলোৱা বুলি প্ৰকাশ কৰে। এই ধনৰাশি বাংলাদেশৰ স্বেচ্ছাসেৱী সংগঠনলৈ যোৱা বুলিও শ্ৰীখেৰাই দাবী কৰে।

00000

দূৰদৰ্শনৰ সঞ্চালক প্ৰধান কাঞ্চন প্ৰসাদে প্ৰয়াগৰাজৰ মহাকুম্ভক বিশ্বাস, সংস্কৃতি আৰু আধ্যাত্মিকতাৰ মিলন বুলি অভিহিত কৰে। মহাকুম্ভস্থলীৰ চেক্টৰ-৪ত থকা কুম্ভবাণী কেন্দ্ৰত ভাষণ দি শ্ৰীমতী প্ৰসাদে আজি কয় যে কুম্ভমেলাৰ দৰে ঐশ্বৰিক অনুষ্ঠানৰ বাণীসমূহ জনসাধাৰণৰ হৃদয়লৈ লৈ যোৱাত কুম্ভবাণী কেন্দ্ৰই অবিশ্বাস্য মাধ্যম ৰূপে ভূমিকা গ্ৰহণ লৈছে। তেওঁ আশা প্ৰকাশ কৰে যে এই কেন্দ্ৰটোৱে শ্ৰোতাসকলৰ বাবে জ্ঞান, ভক্তি আৰু দৃঢ়তাৰ বাণী প্ৰচাৰ কাৰ্য অব্যাহত ৰাখিব। গংগা, যমুনা আৰু সৰস্বতী নদীৰ সংগমস্থলত ভক্তসকলে পৱিত্ৰ স্নান কৰি আধ্যাত্মিক শান্তি আৰু শক্তি লাভ কৰা কাৰ্যতো শ্ৰীমতী প্ৰসাদে আলোকপাত কৰে।

00000

নতুন দিল্লীত কাইলৈ পুছা কৃষি বিজ্ঞান মেলা ২০২৫ অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱসাজ সিং চৌহানে কাইলৈ এই মেলা উদ্বোধন কৰিব। এইবাৰৰ এই মেলাৰ মূল প্ৰতিপাদ্য বিষয় হৈছে **উন্নত কৃষি - বিকশিত ভাৰত**। ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানৰ নতুন প্ৰজাতি আৰু প্ৰযুক্তিৰ প্ৰদৰ্শন এই মেলাৰ অন্যতম আকৰ্ষণ হ'ব। ইয়াৰ উপৰি ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান, কৃষি বিজ্ঞান কেন্দ্ৰ, কৃষক উৎপাদক সংস্থা, উদ্যোগী আৰু ষ্টাৰ্টআপবোৰৰ প্ৰদৰ্শনীও এই মেলাৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'ব।

00000

জম্মু-কাশ্মীৰৰ পুঞ্চ জিলাত আজি ভাৰত আৰু পাকিস্তানী সেনাৰ কমাণ্ডাৰ পৰ্যায়ৰ পতাকা বৈঠক অনুষ্ঠিত হয়। আকাশবাণীৰ জম্মুৰ সংবাদদাতাৰ প্ৰতিবেদন অনুসৰি এই বৈঠকত জিলাখনৰ চাকন দা বাগত থকা নিয়ন্ত্ৰণ ৰেখা ক্ৰছিং পইণ্টত দুয়ো দেশৰ জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰে। শেহতীয়াকৈ ৰাজৌৰী, পুঞ্চ আৰু জম্মু জিলাত নিয়ন্ত্ৰণ ৰেখাৰ সমীপত সংঘটিত গুলিয়াগুলী, স্নাইপিং আৰু আই ই ডি বিস্ফোৰণৰ ঘটনা সন্দৰ্ভত এই বৈঠক অনুষ্ঠিত হৈছে। দুয়োপক্ষৰ জ্যেষ্ঠ সেনাবিষয়াসকলে এই উত্তেজনা প্ৰশমনৰ উদ্দেশ্যে আলোচনা কৰে। এই বৈঠক এঘণ্টাৰো অধিক সময় ধৰি অনুষ্ঠিত হোৱাৰ লগতে পাকিস্তানী সেনাই নিয়ন্ত্ৰণ ৰেখাৰ কাষত যুদ্ধবিৰতি উলঙ্ঘন কৰা কাৰ্যক ভাৰতৰ ফালৰ পৰা গৰিহণা দিয়া হয়।

00000

মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাৰ নেতৃত্বত উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে বম্বে উচ্চ ন্যায়ালয়ত অতিৰিক্ত তিনিগৰাকী ন্যায়াধীশক স্থায়ী ন্যায়াধীশ হিচাপে নিযুক্তি দিয়াৰ প্ৰস্তাৱত অনুমোদন জনাইছে। কালি অনুষ্ঠিত এখন বৈঠকত কলেজিয়ামে ন্যায়াধীশ শৈলেশ প্ৰমোদ ব্ৰহ্মে, ফিৰদোষ ফিৰোজ পুনিৱালা আৰু জিতেন্দ্ৰ শান্তিলাল জৈনক স্থায়ী ন্যায়াধীশ হিচাপে অনুমোদন জনায়। লগতে বম্বে উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ মঞ্জুছা অজয় দেশপাণ্ডেৰ কাৰ্যকাল এবছৰ বৃদ্ধি কৰাৰ পৰামৰ্শ দিয়া হৈছে। মাদ্ৰাজ উচ্চ ন্যায়ালয়তো অতিৰিক্ত পাঁচগৰাকী ন্যায়াধীশক স্থায়ী ন্যায়াধীশ হিচাপে নিযুক্তি দিয়াৰ প্ৰস্তাৱতো কলেজিয়ামে অনুমোদন জনায়। এই সকলৰ ভিতৰত আছে- ন্যায়াধীশ ৰামছামী সাক্তিভেল, পি ধনবল, চিন্নাছামী কুমাৰাপ্পান আৰু কন্দাসামী ৰাজাসেকাৰ।

00000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মহাৰাষ্ট্ৰৰ পুনেত কাইলৈ ২৭ সংখ্যক পশ্চিম মাণ্ডলিক পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰিব। পশ্চিম মাণ্ডলিক পৰিষদত গুজৰাট, গোৱা, মহাৰাষ্ট্ৰ আৰু কেন্দ্ৰীয় শাসিত ৰাজ্য দাদৰা আৰু নগৰ হাভেলীৰ লগতে দমন আৰু দিউ অন্তৰ্ভুক্ত। বৈঠকত আঞ্চলিক পৰ্যায়ত আন্তঃগাঁথনি, খনন, পৰিৱেশ আৰু বনাঞ্চল, খাদ্য সুৰক্ষাৰ পৰিমাপ আদিৰ বিষয়ে আলোচনা কৰা হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ সৰ্বাংগীন উন্নয়নৰ বাবে সমবায় আৰু প্ৰতিযোগিতামূলক ফেডাৰেলিজমৰ সহায় লোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। মাণ্ডলিক পৰিষদসমূহে দুই বা তাতকৈ অধিক ৰাজ্য বা কেন্দ্ৰ আৰু ৰাজ্যসমূহক প্ৰভাৱিত কৰা বিষয়সমূহৰ ওপৰত নিয়মীয়া আলোচনা আৰু আলোচনাৰ বাবে এক পদ্ধতিগত ব্যৱস্থাৰ জৰিয়তে সহযোগিতা বৃদ্ধিৰ বাবে এখন মঞ্চ প্ৰদান কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যসমূহৰ সৱলীকৰণ আৰু কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত উন্নত বুজাবুজিৰ প্ৰসাৰৰ বাবে সমবায় ফেডাৰেলিজমৰ পদ্ধতিৰ ওপৰতো গুৰুত্ব আৰোপ কৰি আহিছে।

00000

গুজাৰটৰ কচ্ছ জিলাৰ ভুজমুন্দ্ৰা অঞ্চলত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত সাতজন লোক থিতাতে নিহত হোৱাৰ লগতে কমেও চাৰিজন লোক আহত হয়। ভুজমুন্দ্ৰাৰ কেৰাগাঁৱৰ পথত এখন ব্যক্তিগত যাত্ৰীবাহী বাছে ৪০গৰাকী লোক কঢ়িয়াই অনাৰ সময়তে এখন ট্ৰাকৰ সৈতে হোৱা সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত আহতসকলক চিকিৎসাৰ বাবে নিকটৱৰ্ত্তী হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে।

00000

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গ্ৰুপ বিৰ এখন খেলত দক্ষিণ আফ্ৰিকাই, আফগানিস্তানক জয়ৰ বাবে ৩১৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। পাকিস্তানৰ কৰাচীৰ নেচনেল ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত দক্ষিণ আফ্ৰিকাই টছত জিকি প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ৩১৫ ৰাণ সংগ্ৰহ কৰে।

আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে আফগানিস্তানে বেটিং কৰি ৫ অভাৰত ১টা উইকেট হেৰুৱাই ২৩ ৰাণ সংগ্ৰহ কৰিছে।

00000

মি

00000

আই ি

00000

সমাপ্ত